দৈনিক অগ্ৰদূত
যোৰহাট, ১৮ জুলাই, ২০১৭ মঙলবাৰ পৃষ্ঠা তিনি

ধন আদায় নিদিয়াত বঙাইগাঁও শোধনাগাৰত ঠিকাদাৰৰ অসহযোগ

অগ্ৰদূত ব্যুৰ'
বঙাইগাঁও, ১৭ জুলাই ঃ চিৰাং জিলাৰ ঢালিগাঁওস্থিত ভাৰতীয় তেল নিগমৰ অন্তৰ্গত বঙাইগাঁও শোধনাগাৰত বিভিন্ন কামত নিয়োজিত ঢালিগাঁও ঠিকাদাৰ সন্থাই তেওঁলোকৰ পাবলগীয়া চুক্তিকৃত পৰিশোধিত ধনৰ দাবীত আজি পুৱাৰে পৰা ৩৬ ঘণ্টীয়া অসহযোগ আন্দোলন অব্যাহত ৰাখিছে। পুৱাৰে পৰা ঠিকাদাৰসকলে শ্ৰমিকসকলক শোধনাগাৰৰ

প্ৰৱেশত বাধা দিলে শ্ৰমিকক

আঠ পৃষ্ঠাত চাওক

অপৰাধীৰ হাতত অত্যাধুনিক মাৰণাস্ত্ৰ

ষষ্ঠ অনুসূচিত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদক অন্তৰ্ভুক্তিৰ দাবী কে'বাটাও সংগঠনৰ পথ অৱৰোধ, দুধনৈত।

নগাঁৱত ২৪ ঘণ্টাত দুটাকৈ গুলিচালনাৰ ঘটনা

বিশেষ সংবাদদাতা
নগাঁও, ১৭ জুলাই ঃ নগাঁও জিলাৰ বিভিন্ন ঠাইত অপৰাধ অব্যাহত থকাৰ মাজতে যোৱা ২৪ ঘণ্টাত সংঘটিত হ'ল দুটাকৈ গুলিচালনাৰ ঘটনা। কালি দুৰ্বৃত্তৰ গুলিত চামগুৰিৰ শিৱস্থান এক নম্বৰ গৰুমৰা গাঁৱত আলাল উদ্দিন নামৰ এজন লোক নিহত হোৱাৰ লগতে নিশা ৰূপহীহাটৰ খাটোৱালত ৰফিকুল ইছলাম আৰু আব্দুল মান্নান নামৰ আন দুজন গুৰুতৰভাৱে আহত হয়। দুখন মটৰ চাইকেলত অহা চাৰিজনীয়া সশস্ত্ৰ দুৰ্বৃত্তৰ দল এটাই গুলিচালনা কৰাত ৰফিকুলৰ পিঠিত দুটা গুলি আৰু মান্নানৰ হাতত এটা গুলিয়ে আঘাত কৰে। ইয়াৰ পাছতে দুয়োকে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। আজি এওঁলোকৰ ভিতৰত মান্নানক চিকিৎসালয়ৰ পৰা ঘৰলৈ যাবলৈ চিকিৎসকে অনুমতি প্ৰদান কৰে যদিও ৰফিকুল চিকিৎসাধীন অৱস্থাত আছে। আহত ৰফিকুল আৰু আব্দুলে আৰক্ষীক দিয়া ভাষ্য অনুসৰি যোৱা নিশা তেওঁলোকে স্থানীয় মছজিদত নামাজ পঢ়াৰ পাছতে ৰূপহীৰ উত্তৰ খাটোৱাল-মাহেৰীপাৰ পথেৰে হবিবুৰ নামৰ আন এজন লোকৰ স'তে খোজকাঢ়ি ঘৰলৈ গৈ আছিল। সেই সময়তে দুখন মটৰ চাইকেলত অহা চাৰিজনীয়া দুৰ্বৃত্তৰ দলটোৱে তেওঁলোকক আগভেটা দি নিচেই ওচৰৰ পৰা গুলিচালনা কৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। লোক দুজনে অভিযোগ কৰা মতে, দুৰ্বৃত্তৰ দলটোক নেতৃত্ব দিছিল কুখ্যাত ডকাইত জামাল উদ্দিনে। ইতিমধ্যে ঘটনা সন্দৰ্ভত ৰূপহী থানাৰ আৰক্ষীয়ে এটি গোচৰ পঞ্জীয়ন কৰিছে যদিও ঘটনাৰ স'তে জড়িত

আঠ পৃষ্ঠাত চাওক

চৰকাৰে 'ডি' ভোটাৰৰ নামত হিন্দু বাঙালীক হাৰাশাস্তি কৰিছে

অগ্ৰদূত বাৰ্তা
শ্ৰীৰামপুৰ, ১৭ জুলাই ঃ 'ডি' ভোটাৰৰ অপবাদ সহ্য কৰিব নোৱাৰি যোৱা ১২ জুলাইত কোকৰাঝাৰ জিলাৰ মাগুৰমাৰী গাঁৱৰ বাসিন্দা সুশীল সৰকাৰ (৬৫)-এ আত্মহত্যা কৰা ঘটনাৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। আজি সুশীলৰ মৃত্যুৰ বাবে চৰকাৰেই দায়ী বুলি ক্ষোভ প্ৰকাশ কৰিছে বাঙালী জনমুক্তি বাহিনীয়ে। জনমুক্তি বাহিনীৰ সভাপতি ৰঞ্জন সৰকাৰে কয় যে সুশীল সৰকাৰ প্ৰকৃত ভাৰতীয় নাগৰিক হোৱা সত্ত্বেও ২০১৩ত তেওঁ বিদেশী ন্যায়াধিকৰণে তেওঁক 'ডি' ভোটাৰ হিচাপে চিহ্নিত কৰিছিল। বিগত চাৰি বছৰ ধৰি তেওঁ নিজকে প্ৰকৃত ভাৰতীয় নাগৰিক হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ বিদেশী

সুশীল সৰকাৰৰ আত্মহত্যাত প্ৰতিক্ৰিয়া বাঙালী জনমুক্তি বাহিনীৰ

আঠ পৃষ্ঠাত চাওক

■ দুৰ্নীতিবিৰোধী শ্ল'গান আওঁৰাই পদ দখল

অপসাৰিত গোৱালপাৰা পৌৰসভাৰ উপ-পৌৰপতি

অগ্ৰদূত বাৰ্তা
মাটিয়া, ১৭ জুলাই ঃ দুৰ্নীতিবিৰোধী শ্ল'গান আওঁৰাই পদ দখল কৰি নিজেই দুৰ্নীতি-অনিয়মেৰে একাকাৰ হোৱাৰ অভিযোগত অপসাৰিত হ'ব লগা হ'ল গোৱালপাৰা পৌৰসভাৰ উপ-পৌৰপতি গোপী দাস। বিজেপিৰ যুৱ মৰ্চাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দাসে

আঠ পৃষ্ঠাত চাওক

চিলাপথাৰ কাণ্ডৰ ৫৪ অভিযুক্তৰ জামিন আবেদনৰ শুনানি স্থগিত

অগ্ৰদূত বাৰ্তা
ধেমাজি, ১৭ জুলাই ঃ চিলাপথাৰ-কাণ্ডৰ মূল অভিযুক্ত সুবোধ বিশ্বাসসহ ৫৪জনৰ জামিন আবেদনৰ শুনানিৰ দিন আজি ধাৰ্য কৰা হৈছিল যদিও শুনানি কাইলৈকে স্থগিত ৰখা হয়। পূৰ্বে নিৰ্ধাৰিত তাৰিখ অনুসৰি আজি জামিন আবেদনৰ শুনানিৰ দিন ঘোষণা কৰা হৈছিল যদিও জিলা সত্ৰ ন্যায়াধীশৰ আদালতে কাইলৈকে স্থগিত ৰাখে। উল্লেখ্য যে যোৱা সাত জুলাইত সুবোধ বিশ্বাসসহ ৫৪জন অভিযুক্তৰ ভিতৰত ৪৭জনৰ নিজা নিজা অধিবক্তাই জামিন আবেদন দাখিল কৰিছিল।

সাপেখাতীত পত্নীক হত্যা কৰি স্বামীৰ আত্মসমৰ্পণ

অগ্ৰদূত বাৰ্তা
সোণাৰি, ১৭ জুলাই ঃ চৰাইদেউ জিলাৰ সাপেখাতী আৰক্ষী থানাৰ অন্তৰ্গত বাঘমৰিয়াল গাঁৱত আজি স্বামীৰ দাৰ ঘাপত প্ৰাণ হেৰুৱালে এগৰাকী মহিলাই। ঘটনাটো সংঘটিত কৰিয়ে পত্নীহন্তা লোকজনে কণমানি পুত্ৰক লৈ সাপেখাতী আৰক্ষী থানাত আত্মসমৰ্পণ

আঠ পৃষ্ঠাত চাওক

বোমা বিস্ফোৰণত অভিযুক্তক যাৱজ্জীৱন কাৰাদণ্ড

অগ্ৰদূত বাৰ্তা
মৰিগাঁও, ১৭ জুলাই ঃ মৰিগাঁও জিলাৰ জাগীৰোডৰ শুকান মাছৰ বজাৰত যোৱা ২০১৫ৰ সাত জুলাইত সংঘটিত বোমা বিস্ফোৰণ ঘটনাৰ মূল অভিযুক্ত শংকৰ পাতৰক আজি মৰিগাঁও জিলা সত্ৰ ন্যায়াধীশ আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। আজি গোচৰৰ শুনানিৰ দিনা অভিযুক্ত পাতৰে আদালতৰ মজিয়াত উক্ত বোমা

আঠ পৃষ্ঠাত চাওক

গোসাঁইগাঁৱত অস্ত্ৰসহ ধৃত নাছলাৰ দুই সদস্য

অগ্ৰদূত বাৰ্তা
শ্ৰীৰামপুৰ, ১৭ জুলাই ঃ গোসাঁইগাঁও মহকুমাৰ গ্ৰাহামপুৰ আৰক্ষী চকীৰ অন্তৰ্গত কুইণ্টেনপুৰত কালি বিয়লি আৰক্ষী-চি আৰ পি এফে অভিযান চলাই আলোচনাবিৰোধী নেছনেল চাওতাল লিবাৰেছন আৰ্মী চমুকৈ এন এছ এল এৰ দুজন সদস্যক আটক কৰে। ধৃত উগ্ৰপন্থী সদস্যদ্বয় হ'ল মহকুমাটোৰ অন্তৰ্গত তুৰেলতোলা গাঁও নিবাসী মাজিয়া হেমব্ৰমৰ পুত্ৰ দীনেশ হেমব্ৰম (১৮) আৰু কুইণ্টেনপুৰৰ ইউনুছ হেমব্ৰমৰ পুত্ৰ দুৰ্গা হেমব্ৰম। নিৰাপত্তাৰক্ষীয়ে ধৃত উগ্ৰপন্থী দুজনৰ পৰা এটা বন্দুক, এটা মেগজিন আৰু দুইজাই গুলি উদ্ধাৰ কৰে।

দুৰ্নীতি-অনিয়মত অতিষ্ঠ হৈ ৰাইজে পঞ্চায়ত কাৰ্যালয়ত তলা মাৰি আৱদ্ধ কৰিলে সভানেত্ৰীক

অগ্ৰদূত বাৰ্তা
মুকালমুৱা, ১৭ জুলাই ঃ নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত ৰামপুৰ-মুগদি গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ দুৰ্নীতি-অনিয়মত অতিষ্ঠ হৈ আজি ৰাইজে পঞ্চায়ত কাৰ্যালয়তে সভানেত্ৰীগৰাকীক তলা মাৰি আৱদ্ধ কৰি ৰাখে। ক্ষুব্ধ ৰাইজে আনকি কাৰ্যালয়টোৰ আচবাবো লণ্ড-ভণ্ড কৰে। উল্লেখ্য যে ৰামপুৰ-মুগদি পঞ্চায়তৰ সভানেত্ৰী খৰ্গেশ্বৰী বড়োৱে দীৰ্ঘদিন ধৰি হিতাধিকাৰীৰ নামত আবণ্টিত ধন আত্মসাৎ কৰা বুলি দীৰ্ঘদিন ধৰি অভিযোগ উত্থাপিত হৈ আহিছিল। প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰি সভানেত্ৰীগৰাকীয়ে অনুদানসমূহ ধনৰ বিনিময়ত আন লোকক বিতৰণ কৰাত আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সংঘটিত হয় ব্যাপক দুৰ্নীতি-অনিয়ম। আজি একাংশ ৰাইজে 'আমাৰ গাঁও আমাৰ আঁচনি'ৰ

আঠ পৃষ্ঠাত চাওক

গহপুৰত বন্যাৰ্তৰ মাজত মানৱতাৰ জয়গান

অগ্ৰদূত বাৰ্তা
গহপুৰ, ১৭ জুলাই ঃ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে, ভাবিব কোনেনো কোৱা' শীৰ্ষক কালজয়ী গীতটোৰ বিশ্বজনীন আৰু মানৱতাবাদী মৰ্মাৰ্থক পুনৰবাৰ ভাস্বত কৰি সংহাৰী বানত সৰ্বস্বান্ত গহপুৰ মহকুমাৰ দুৰ্দশাগ্ৰস্ত ৰাইজৰ মাজত উপস্থিত হৈ দুখ-দুৰ্গতিৰ সমভাগী হোৱাৰ লগতে মানৱদৰদী সহস্ৰজনে

আঠ পৃষ্ঠাত চাওক

হিন্দুৱেই হওক, মুছলমানেই হওক অবৈধ বিদেশীৰ বোজা নলয় অসমে

বিশেষ সংবাদদাতা
নলবাৰী, ১৭ জুলাই ঃ 'হিন্দুৱেই হওক বা মুছলমানেই হওক, বাংলাদেশী বা বিদেশীৰ ক্ষেত্ৰত নমনীয় নহ'ব আছুৱে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক আজি সকীয়নি দি এইদৰে মন্তব্য আগবঢ়ায় আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনত জঁপিয়াই পৰি '৮৪ত আৰক্ষীৰ হাতত ছহিদ হোৱা নলবাৰীৰ বাটসৰৰ সুভাষ শৰ্মাৰ আৰক্ষমূৰ্তি মুকলি কৰি তেওঁ এইদৰে মন্তব্য কৰি কয় যে হিন্দু বাংলাদেশীক নাগৰিকত্ব প্ৰদানৰ বাবে চৰকাৰে শেহতীয়াভাৱে পুনৰ ষড়যন্ত্ৰ চলাইছে। অসম চুক্তি অনুসৰি '৭১ৰ পাছত অহা কোনো বাংলাদেশী বিদেশীৰ বোজা অসমে মূৰ পাতি নলয় বুলি তেওঁ মন্তব্য আগবঢ়ায়। ভট্টাচাৰ্যই কয়, 'অসম চুক্তিৰ ৩২ বছৰ পূৰ্ণ হ'ল,

বাটসৰত ছহিদ সুভাষ শৰ্মাৰ আৰক্ষ মূৰ্তি উন্মোচন

আঠ পৃষ্ঠাত চাওক

বৃহৎ নদীবান্ধৰ বিৰুদ্ধে আছুৰ অৱস্থান ধৰ্মঘট, সোমবাৰে।

মিচেছ ইউনাইটেড নেছন ২০১৭ৰ খিতাপ দখল ৰোশনী হাচানৰ

গুৱাহাটীৰ পৰা জামাইকালৈ যাত্ৰা

মহানগৰ বাৰ্তা
গুৱাহাটী, ১৭ জুলাই ঃ গুৱাহাটীৰ পৰা ভাৰতক প্ৰতিনিধিত্ব কৰি জামাইকাৰ কিংষ্টনত মিচেছ ইউনাইটেড নেছন ২০১৭ৰ খিতাপ জয় কৰিছে গুৱাহাটীৰ ৰোশনী হাচানে। যোৱা আঠ জুলাইত জামাইকাত অনুষ্ঠিত হোৱা গ্ৰেণ্ড ফিনালেত উক্ত খিতাপ জয় কৰে ৰোশনীয়ে। প্ৰায় পাঁচ হেজাৰ আবেদনকাৰীৰ ভিতৰত নিৰ্বাচিত হোৱা ৩২ গৰাকী সুন্দৰীৰ মাজৰ পৰা ৰোশনীয়ে ভাৰতক প্ৰতিনিধিত্ব কৰি পোন

আঠ পৃষ্ঠাত চাওক

লখিমপুৰত আছুৰ গণ অৱস্থানত লুৰিণজ্যোতি গগৈ

ক্ষতিসাধন কৰা সকলো জলবিদ্যুৎ প্ৰকল্পই বন্ধ হ'ব লাগিব

বিশেষ সংবাদদাতা
লখিমপুৰ, ১৭ জুলাই ঃ 'ৰঙানদী প্ৰকল্পৰ ফলত ৰঙানদীয়ে সৃষ্টি কৰা ভয়াৱহ ক্ষতিকাৰক দিশটোক আছুৱে বলিষ্ঠভাৱে আগুৱাই নিব সোৱণশিৰি বান্ধৰ দুহেজাৰ মেগাৱাট বিদ্যুৎ উৎপাদন কৰি এৰি দিবলগীয়া পানীয়ে অদূৰ ভৱিষ্যতে কেনে ধ্বংসলীলা সৃষ্টি কৰিব সেয়া ৪০৫ মেগাৱাটৰ ৰঙানদী জলবিদ্যুৎ প্ৰকল্পই ইতিমধ্যে দেখুৱাই দিছে। কোনো বৃহৎ বৈজ্ঞানিক অথবা বিজ্ঞান নোহোৱাকৈ অদূৰ ভৱিষ্যতে সোৱণশিৰি বান্ধে কি বিপৰ্যয় নমাই আনিব পাৰে সেয়া ৰঙানদী প্ৰকল্পই লখিমপুৰত সৃষ্টি কৰা দুৰ্যোগে সৰলীকৃত ৰূপত দাঙি ধৰিছে।' আজি 'দৈনিক অগ্ৰদূত'ৰে হোৱা এক আছুতীয়া সাক্ষাৎকাৰত এই মন্তব্য কৰে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক লুৰিণজ্যোতি গগৈয়ে। ৰঙানদীৰ বান সৃষ্টি পৰিস্থিতি পৰ্যবেক্ষণ কৰি তেওঁ আৰু কয় যে নীপকোৰ এই প্ৰকল্প বন্ধ কৰা উচিত। এই লৈ আছুৰ তৰফৰ পৰা ইতিমধ্যে দাবী উত্থাপন কৰা বুলিও গগৈয়ে কয়। তেওঁ আৰু কয় যে বিশ্বত এতিয়া জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ আঁচনি সামৰণি মৰা হৈছে। কেৱল ভাৰতবৰ্ষতহে এনে জলবোমা তৈয়াৰ কৰি

আঠ পৃষ্ঠাত চাওক

সোঁতৰ বিপৰীতে

KOHIMA MARIANI TRANSMISSION LIMITED
A-63, FIEE Complex, 3rd Floor, Okhla Industrial Area, Phase 2, New Delhi-110020

PUBLIC NOTICE

Kohima Mariani Transmission Limited (a subsidiary of Kalpataru Power Transmission Limited) having its registered office at **A-63, FIEE Complex, 3rd Floor, Okhla Industrial Area, Phase 2, New Delhi-110 020**, intends to apply to the Government of India to confer upon him all the powers under Section 164 of the Electricity Act, 2003 for the placing of electric lines or electrical plant for the transmission of electricity or for the purpose of telephonic or telegraphic communications necessary for the proper coordination of works which telegraph authority possess under the Indian Telegraph Act, 1885 with respect to the placing of telegraph lines and posts for the purpose of a telegraph established or maintained, by the Government or to be so established or maintained and will undertake the survey, construction, installation, inspection, erection and other works to be followed by commissioning, operation, maintenance and other works for the following transmission schemes.

Name of the transmission scheme : Transmission System for "North Eastern Region Strengthening Scheme (NERSS-VI)".

Works covered under the scheme :

Transmission line :

1) Imphal – New Kohima 400 kV D/c Line with Twin Moose ACSR conductor.

2) New Kohima – New Mariani 400 kV D/c Line with Twin Moose ACSR conductor.

Sub-station :

Establishment of 400/220 kV, 7x167 MVA (Single Phase including one spare) Substation at New Kohima

The transmission lines covered under the scheme will pass through, over, around, and between the following villages, towns and cities :

LIST OF VILLAGES UNDER MANIPUR STATE

Sl. No.	Village Names	Block	Sub Division / Circle Office	District
1	Patsoi, Yurembam, Changangei	Haorang	Patsoi	Imphal West
2	Salam Keikhu, Thaoroijam, Kiyam, Haorang Keiren	Haorang	Lamsang / Salam	
3	Haorang Sabal, Heibongpokpi, Kha Lairenkabi, Lamlongei, Lairensajik, Koutruk	Haorang	Lamsang / Lamsang	
4	Senjam Khunou, Khurkhul, Kanto, Sekmai, Kanglatombi	Haorang	Lamsang / Sekmai	
5	Ekpalkhullen-100, Heinoupok-104	Saikul	Saikul	Kangpokpi
6	Phoibih/Khoiren Tampak-117, Kuraopokpi-32	Saitu-Gamphazol	Saitu-Gamphazol	
7	Keithelmanbi-111	Champhai	Champhai	
8	Tumnoupokpi-107, Kalapahar, Yaikongpao, Daili, Kangpokpi Main, Tumuyon Khullen, Thangal/Ningthoupham, Mayangkhang, Hengbung, Kuki Taphou	Kangpokpi	Kangpokpi	
9	Taphou Liangmei/9-MR, Emesiipro, Taphou Pudunamai, Tazang, Saklim, Katomei Centre, Katomei-1, Katomei-2, Kathikho Nepali-2, Kathikho Karong, Kathikho Rai Basti, Khongnem, Lairouching, Lairouching Down, Maram Down, Maram Up, Maram Khullen, Chakumai, Tadubi	Tadubi	Mao-Maram Sub-Division, Tadubi	Senapati
10	Kalinamai, Song Song	Song Song	Song Song	

LIST OF VILLAGES UNDER NAGALAND STATE

Sl. No.	Village Names	Block	Sub Division / Circle Office	District
1	Khuzama, Viswema, Jakhama, Kigwema & Mima, Phesama, Pfuchama	Jakhama	Jakhama	Kohima
2	Kohima Barobasti & Chotabasti, Chedema / Chedema Model Village, Thizama	Kohima Sadar	Kohima Sadar	
3	Thiesema Bawe, Thiesema Basa, Zhadima, Viphoma, Seiyha Phesa, Zeizou, Phekerkriema Bawa, Phekerkriema Basa	Chiephobozou	Chiephobozou	
4	Tsosinya, Logwesunyu, Rengmapani	Tseminyu	Tseminyu	
5	Yankeli, Ralan New, Chandalashung Old, Woroku, Ronsuyan, Chandalashung B, Chandalashung New, Liphanyan, Wochan, S.Wochan	Ralan	Ralan	Wokha
6	Koro New, Koro Old, Renthan, Yamhon Old, Yamhon New, Ruchan, Liphi, Lio-Wokha Old, Lio-Wokha New, Longjung, Yencho, Suphayan, Roni New, Roni Old, Pangdong, Serika, Bhandari HQ, Khumchoyan, Merapani, Longayim, Mekerang	Bhandari	Bhandari	

LIST OF VILLAGES UNDER ASSAM STATE

Sl. No.	Village Names	Block	Sub Division / Circle Office	District
1	Garmuria Gaon, 38 No. Grant, Namrupia Gaon, Kankhowa	Baghchung	Mariani	Jorhat
2	Paninora Gaon, Bandarchalia Gaon, Bandarchaliha TE, No. 4 Saraipani Grant, No. 3 Saraipani Grant, Saraipani Bosabari, 188 No Madhapur Grant, 1 no. Madhapur, Lohang Bebejia, Sologuri Gaon, Soidal kachari, Kawrichuk, Bosa Gaon, Bamun Gaon	Titabar	Titabar	
3	Mokrong Habi, Chakial, Barichua, Purani Meliya, Jerpai, Usha TE, Nugura Grant, Dayang Bagan, Dayang Grant, 2 No Jamuguri, 1 No Jamuguri	Golaghat East Block Padumani	Golaghat	Golaghat
4	2 no. Herhery, Amguri, Basa Pathar, Abhang Pathar, Digholi Pathar, Miri Gaon, Saru Pabhajan, Bordubi, Borbali	Golaghat South Block Sarupathar	Sarupathar	
5	Padum pathar, Saru Pani	Gomariguri	Forest Village	

Copy of the route alignment is available in the office of the undersigned. Notice is hereby given to the general public to make observation/representation on the proposed transmission system within two months from the date of publication of this notice to the office of the undersigned in writing. For further particulars and clarifications please **Contact Name :** Kausik Chowdhuri, **Designation :** Vice President (PPP Projects) **Office Address : 1.** Kohima Mariani Transmission Limited, A-63, FIEE Complex, 3rd Floor, Okhla Industrial Area, Phase 2, New Delhi -110 020 or **2.** Kalpataru Power Transmission Limited, G-4, Globle Furtune Archade, MG Road, Near Guru Dronacharya Metro Station, Gurgaon-122022, Haryana. Email : kausik.chowdhuri@kalpatarupower.com, Phone : 0124-4259409, Fax No. 0124-4259572.

Place : New Delhi
Date: 17th July, 2017

On behalf of Kohima Mariani Transmission Ltd.
Saurabh Gupta, Director

ADMISSION OPEN 2017-18

aimt Learn·shift·Lead — Asian Institute of Management and Technology ®

Affiliated to Gauhati University & Dibrugarh University
Approved by Department of Higher Education, Government of Assam

BBA | BCA | BSc BIOTECH
BSc MICROBIOLOGY
BACHELOR of MASS COMMUNICATION
MA MASS COMMUNICATION

www.asianinstitutions.com facebook.com/aimt.guwahati
#12, Bhaskar Nagar, R.G. Baruah Road, Guwahati - 781021
: 98645 01020 | 98599 33899

GNRC Quality • Value • Trust — স্বাস্থ্য-বাৰ্তা

সকলোৰে বাবে স্বাস্থ্য
সকলোৰে মুখত হাঁহি

এতিয়া জিএনআৰচি হাস্পতালৰ তিনিওটা চৌহদতে মাথোঁ ৯০০ টকাতে চিটি স্কেন (ব্ৰেইন), ২৫০০ টকাতে এম আৰ আই (ব্ৰেইন) আৰু ৫০০০ টকাতে এঞ্জিঅ'গ্ৰাফী কৰাব পাৰিব।

জিএনআৰচি হাস্পতাললৈ বিনামূলীয়া এম্বুলেন্স সেৱা
ডায়েল ঃ ১৮০০-৩৪৫-০০১১ (ট'ল ফ্ৰী)

দুৰ্ঘটনাগ্ৰস্ত আৰু জৰুৰীকালীন ৰোগীৰ বাবে প্ৰথম ২৪ ঘণ্টা বিনামূলীয়া সেৱা
ডায়েল ঃ ১৮০০-৩৪৫-০০২২ (ট'ল ফ্ৰী)

* চৰ্তাৱলী প্ৰযোজ্য

info@gnrchospitals.com www.gnrchospitals.com